# যীচুৱে ঈশ্বৰৰ বাক্য বুজোৱাৰ দ্বাৰাই মানুহৰ হৃদয় কঁপাইছিল

**প্ৰাৰ্থনা ঃ** "মৰমিয়াল প্ৰভু, ল'ৰা-ছোৱালীবিলাকে যেতিয়া যীচুৰ বিষয়ে পুৰিণ ভাববাদীবিলাকে কি ভাববাণী কৰিছিল তাক জানিব তেতিয়া ইম্মায়ুৰ পথত শিষ্যসকলৰ হৃদয় কঁপি উঠাৰ দৰে সিহঁতৰো হৃদয় কঁপি উঠিবলৈ তুমি সহায় যেন কৰা।"

ল'ৰা-ছোৱালীবিলাকৰ বয়স আৰু প্ৰয়োজন অনুসৰি এই শিকিবলগীয়া কামৰ পৰা যিকোনো এটা বাছি লওক।

এজন ডাঙৰ ল'ৰা বা শিক্ষক লূক ২৪ঃ১৩-৩৫ পদৰ পৰা "হৃদয় প্ৰজ্বলিত" গল্পটো মনৰ পৰা বা পঢ়ি ক'বলৈ দিয়ক।

বুজাই দিয়ক যে যীচুৱে বাইবেলত তেওঁৰ বিষয়ে যি ভাববাণী কৰা হৈছিল সেই বিষয়ে দুজন মানুহক কৈছিল; তেওঁলোক ইমান আনন্দিত হৈছিল যে ই তেওঁলোকৰ হৃদয়ত জুইৰ নিচিনা আছিল। ঈশ্বৰে তেওঁৰ পুৰণি ভাববাদী সকলক ভৱিষ্যতে কি ঘটিব সেই বিষয়ে কৈছিল।



এই প্ৰশ্নবিলাক সোধক। (উত্তৰবোৰ প্ৰতিটো প্ৰশ্নৰ পিচতেই আছে)

- সেই দুজন মানুহে যীচুক যেতিয়া প্ৰথমবাৰ দেখিছিল, সিহঁতে তেওঁক চিনি পাইছিল নে? *(১৬ পদ)*
- মানুহ দুজনক কিয় ইমান বেজাৰ পোৱা নিচিনা দেখিছিল? *(১৬ পদ, যীচুৰ মৃত্যু হৈছিল।)*
- মানুহ দুজনে যীচুৰ বিষয়ে কি কৈছিল? *(১৯-২৩ পদ)*
- তেওঁবিলাকৰ বেজাৰৰ বিষয়ে যীচুৱে কি কৈছিল? *(২৬ পদ)*
- যীচুৱে মানুহ দুজনক কি বুজাইছিল? *(২৭ পদ)*
- মানুহ দুজনে অৱশেষত যীচুক কেতিয়া চিনি পাইছিল? *(৩০-৩১)*

শিষ্য কেইজনে ইম্মায়ুলৈ খোজ কাঢ়ি গৈ থকা গল্পটো নাটকত পৰিণত কৰক। (লূক ২৪ঃ১৩-৩৫ পদ)

- এই ছুটি নাটকখন বা ইয়াৰ এটা অংশ দেখুৱাবৰ বাবে উপাসনা চলাওঁতা জনৰ লগত বন্দোবস্ত কৰি লওঁক।
- ডাঙৰবিলাকে সৰুবিলাকক যুগুত কৰিবলৈ সহায় কৰিব দিয়ক।

- অলপ ডাঙৰ ল’ৰা-ছোৱালীবিলাকক বা জ্যেষ্ঠসকলক যীচু, গীতৰচক (৬ পদলৈকে) আৰু বৰ্ণনাকাৰী, যিবিলাকে গল্পটো চমুকৈ কয় আৰু ল’ৰা-ছোৱালীবিলাকে কি ক’ব লাগে তাক মনত পেলাবলৈ সহায় কৰে, তেওঁলোকৰ ভাও ল’বলৈ দিয়ক। গীত ৰচকজনে নাটকখনত উল্লেখ কৰা গীতমালা ২২ পদবোৰ মনৰ পৰা কয় বা পঢ়ি শুনায়।
- সৰু ল’ৰা-ছোৱালীবিলাকক ক্লিয়পা, সঙ্গী আৰু শিষ্যবিলাকৰ ভাও কৰিব দিয়ক।

**বৰ্ণনাকাৰী ঃ** লূক ২৪ঃ১৩-২৭ পদৰ গল্পটোৰ প্ৰথম ভাগ কয়। তাৰ পাচত কয়, “ক্লিয়পাই কি কৈছে শুনা।”

**ক্লিয়পা ঃ** ( খোজকাঢ়ি থাকোঁতে সঙ্গীৰ লগত কথা পাতক ) “যীচু মৰিল কাৰণে মই বৰ বেজাৰ পাইছো; ঈশ্বৰে কিয় তেওঁক মৰিবলৈ দিলে ?”

**যীচু ঃ** “মোৰ বন্ধুসকল, তোমালোকে খোজ কাঢ়ি থাকোতে কিহৰ বিষয়ে কথা পাতিছা ?”

**সঙ্গী ঃ** “যীচু মৰিল। তেওঁ এজন অতি ক্ষমতাশালী ভৱিষ্যত বক্তা আছিল। আমি ভাবিছিলো তেওঁ ইস্ৰায়েলৰ ৰজা হ’ব, কিন্তু শাসনকৰ্ত্তাসকলে তেওঁক বধ কৰিলে। আজি কেইগৰাকীমান তিৰোতাই কৈছে তেওঁ পুনৰায় জী উঠিল।

**যীচু ঃ** তোমালোকে বুজা নাইনে ? তেওঁ দুঃখভোগ কৰি মৃত্যুবৰণ কৰিবলগা আছিল। এতিয়া তেওঁৰ বিষয়ে বাইবেলে কি কয় শুনা।”

**বৰ্ণনাকাৰী ঃ** “যীচুৱে কাৰ্য্যৰ বিষয়ে ভাববাণী কৰা শাস্ত্ৰাংসৰ উদ্ধৃতি দিছিল। তেওঁলোকৰ হৃদয়ৰ অন্তকৰণ জ্বলি উঠিছিল। যীচুৰ ক্ৰুচত মৃত্যুৰ বিষয়ে গীতমালা ২২ ত দায়ুদে কি কৈছিল, শুনা।

**গীতৰচক ঃ** “হে মোৰ ঈশ্বৰ, হে মোৰ ঈশ্বৰ, তুমি মোক কিয়
ত্যাগ কৰিলা ?
“যিবিলাকে মোক দেখে সেই সকলোৱে মোক হাঁহে;
সিহঁতে মুখ সিঁয়াৰে আৰু মূৰ জোকাৰে।
“সিহঁতে কয়, ‘তই যিহোৱাত ভাৰসা কৰ; তেওঁ তাক উদ্ধাৰ কৰক;
তেওঁ তাত সন্তোষ হ’ল দেখি তাক ৰক্ষা কৰক;”
“দুৰাচাৰীবিলাকৰ মণ্ডলীয়ে মোক বেৰিছে।
সিহঁতে মোৰ হাত আৰু ভৰি বিন্ধিছে।”
“মই মোৰ আটাইবোৰ হাঁড় লেখিব পাৰোঁ।
সিহঁতে মোলৈ দৃষ্টি কৰে আৰু একে ঠৰে চাই থাকে।”
“সিহঁতে নিজৰ মাজত মোৰ কাপোৰ ভাগ বাঁটি লৈছে;
সিহঁতে মোৰ বস্ত্ৰৰ অৰ্থে চিঠি খেলাইছে।”

**বৰ্ণনাকাৰী ঃ** লূক ২৪ঃ২৮-৩৫ পদৰ পৰা গল্পটোৰ দ্বিতীয় ভাগটো কয়। তাৰ পিচত কয়, “ক্লিয়পাই কি কৈছে শুনা।”

**ক্লিয়পা ঃ** (যীচুক কয়) “বন্ধু, দেৰি হ’ল, বেছি দূৰলৈ নাযাবা। আমাৰ লগতেই থাকা।”

**যীচু ঃ** মোক পিঠা ভাঙিবলৈ দিয়া। এই আহাৰৰ বাবে প্ৰভূ তোমাক ধন্যবাদ দিওঁ।” (ৰুটি ভঙাৰ দৰে কৰে আৰু টুকুৰাবোৰ ক্লিয়পা আৰু সঙ্গীজনৰ হাতত দিয়ে। )

**ক্লিয়পা আৰু সঙ্গী ঃ** শিষ্যসকলৰ ওচৰলৈ দৌৰি যায়। চিঞঁৰে, “এইজন তেওঁ ! এইজন যীচু !” “তেওঁৰ শিষ্যবিলাকক কোৱাগৈ।”

**শিষ্যবিলাক ঃ** “হয়, ই সত্য।” “আমিও তেওঁক দেখা পাইছো।” “তেওঁ পুনৰায় উঠিল।”

**বৰ্ণনাকাৰী ঃ** নাটকখন কৰিবলৈ যিবিলাকে সহায় কৰিলে, তেওঁলোকক ধন্যবাদ দিয়ে।

**প্ৰশ্নবোৰ ঃ** নাটকখন যদি ল’ৰা-ছোৱালীবিলাকে ডাঙৰবিলাকৰ কাৰণে কৰিছে, তেনেহ’লে ওপৰৰ তালিকাত থকা প্ৰশ্নবোৰো তেওঁবিলাকক সুধিব দিয়ক।

**সোধক ঃ** আমি যীচু আৰু তেওঁৰ পুনৰুত্থানৰ বিষয়ে শুনিলে আমাৰ হৃদয় ঈশ্বৰে আনন্দেৰে পৰিপূৰ্ণ কৰি তোলা আন আন উদাহৰণবোৰ কি? (ল’ৰা-ছোৱালীবিলাকক উদাহৰণবিলাক দিবলৈ দিয়ক।)

হৃদয়ৰ ভিতৰত জুই জ্বলি থকা ছবি এখন আঁকক। ল’ৰা-ছোৱালীবোৰক ছবিখন ডাঙৰবোৰক উপাসনাৰ সময়ত দেখুৱাবলৈ আৰু বুজাই দিবলৈ দিয়ক যে যীচুৱে আমাৰ হৃদয় আনন্দৰে পৰিপূৰ্ণ কৰে কাৰণ তেওঁৰ মৃত্যু হোৱা নাই, তেওঁ জীৱিত আৰু তেওঁৰ আত্মা আমাৰ লগত অনন্তকাল বাস কৰে।



যিহিস্কেল ৩৬ঃ২৫-২৬ মুখস্থ কৰক (সৰু ল’ৰা-ছোৱালীবিলাকক কেৱল ২৬ পদটো শিকিবলৈ দিয়ক।)

২৫ “মই তোমালোকৰ ওপৰত শুচি জল ছটিয়াম তাতে তোমালোক শুচি হ’বা। মই তোমালোকক আটাই অশৌচৰ পৰা, আৰু তোমালোকৰ আটাই মুৰ্ত্তিৰ পৰা তোমালোকক শুচি কৰিম।”

২৬ “মই তোমালোকক এক নতুন হৃদয় দিম আৰু তোমালোকৰ অন্তৰত নতুন আত্মা স্থাপন কৰিম, মই তোমালোকৰ শৰীৰৰ পৰ শিলৰূপ মন গুচাই, তোমালোকক মাংস ৰূপ মন দিম।

**প্ৰাৰ্থনা ঃ** “মৰমিয়াল প্ৰভু, আমি যেতিয়া পুনৰুত্থানৰ কথা সোঁৱৰণ কঁৰো আমাৰ হৃদয় আনন্দৰে প্ৰজ্বলিত হয়। তুমি মৰি নাথাকিলা। তুমি জীৱিত, তুমি আমাত বাস কৰা আৰু আমাক জীৱন দিয়া। তোমাক নিজ চকুৰে দেখা পাবলৈ আৰু তোমাৰ লগত অনন্তকাল বাস কৰিবলৈ আমাৰ অতি হেঁপাহ। প্ৰভু যীচু সোনকালে আহাঁ।

Copyright 2004 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net